# গোৱালপাৰাত সুধাকণ্ঠক স্মৰণ

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ৮ ছেপ্টেম্বৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ত আজি ভূপেন হাজৰিকাৰ ৯৭ সংখ্যক জন্ম দিৱস উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এখন সভাত ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সভাপতিত্বত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ভানু বেজবৰুৱা কলিতাই। সভাত ■ ১১ পৃষ্ঠাত

# গোৱালপাৰাত সুধাকণ্ঠক স্মৰণ

জ্যেষ্ঠ সাংবাদিক দিলীপ কুমাৰ শৰ্মা, আব্দুছ ছোবাহান, ৰছিদুল হুছেইনে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে। সভাত মহাবিদ্যালয়ৰ ছাত্ৰী এগৰাকীয়ে ড° ভূপেন হাজৰিকাৰ গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। সভাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ আব্দুল হুছেইনকে আদি কৰি কেইবাগৰাকী অধ্যাপক-অধ্যাপিকায়ো ভাষণ প্ৰদান কৰে।